### প্ৰবীণ সাহিত্যিক ভাষাতত্ত্ববিদ

# শ্ৰীদেৱানন্দ ভৰালি ডাঙৰীয়ালৈ

## —সাদৰ অভিনন্দন—

পৰম শ্ৰদ্ধাভাজনেষু,

আপোনাৰ সুদীৰ্ঘ জীৱনব্যাপী সাহিত্য সাধনাৰ কথা স্মৰণ কৰি অসম সাহিত্য সভাই আপোনালৈ সাদৰ অভিনন্দন জ্ঞাপন কৰিছে। আমাৰ অভিনন্দন গ্ৰহণ কৰি কৃতাৰ্থ কৰে যেন।

এটি উন্নত পৰিয়ালৰ সন্তান স্বৰূপে আপুনি কেৱল মেধাবী ছাত্ৰই নাছিল— সৰুৰে পৰা সাহিত্য সেৱাত নিষ্ঠাৰে ব্ৰতী হৈ আজীৱন কাল সেই সেৱাতে নীৰৱে আত্ম-নিয়োগ কৰি মেধা শক্তিৰ পৰিচয় দিবলৈ সক্ষম হ'ল। ইংৰাজী অসমীয়া উভয় ভাষাৰ চৰ্চাৰ পৰিণতিত আপুনি অমিত্ৰাক্ষৰ ছন্দত প্ৰণয়ণ কৰা মহাকবি চেক্সপীয়েৰৰ মেকবেথ নাটকৰ ভাবানুবাদ 'ভীমদৰ্প' নাটক অসমীয়া অনুবাদ সাহিত্যলৈ উল্লেখ-যোগ্য বৰঙণি। উষা, বাঁহী, আলোচনী আদি বিভিন্ন কাকতত লিখা প্ৰৱন্ধ বাজিৰ উপৰিও 'মিৰি' ছদ্মনামত আপুনি লিখা কবিতা আৰু 'আদিপুৰাণ' নামৰ ছন্দ-কাব্যৰ কথা কাৰো অবিদিত নহয়। শ্ৰীশঙ্কৰদেৱৰ বিষয়ক আপোনাৰ আলোচনা আৰু নাটক প্ৰণয়ণো মহাপুৰুষ জনা সম্পৰ্কে আপোনাৰ গভীৰ অধ্যয়নৰ পৰিচায়ক মাত্ৰ।

অসমীয়া ভাষাৰ ক্ষেত্ৰত আপোনাৰ সুগভীৰ অধ্যয়ন আৰু গৱেষণাই আপোনাক নিশ্চয় এখন গৌৰৱময় আসনৰ অধিকাৰী কৰিছে। এই দৃষ্টিভঙ্গীত আপুনি পোন প্ৰথমে লিখিলে ইংৰাজী ভাষাত অসমৰ বাহিৰৰ লোক সকলৰ উদ্দেশ্যে **Assamese Grammar in English** নামৰ পুথি। সেই একে উদ্দেশ্যেই **Phonology of Assamese Language** নামৰ ইংৰাজী ভাষাত লিখা মৌলিক চিন্তা প্ৰসূত ভাষাতত্ত্বৰ গ্ৰন্থখনিও আপোনাৰ অন্যতম শেহতীয়া অৱদান। চন্দ্ৰকান্ত অভিধানৰ সুবৃহত পাতনি খণ্ডও আপোনাৰ বহু গৱেষণাৰ পৰিচায়ক। "অসম সাহিত্য সভা পত্ৰিকাৰ' একালৰ সম্পাদক ৰূপে থাকিও আপুনি অসমীয়া ভাষা সাহিত্যলৈ অৰিহণা যোগালে। এই সকলোখিনিৰ ওপৰত "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" আপোনাৰ জীৱন জোৰা সাধনাৰ যুগমীয়া কীৰ্ত্তিস্তম্ভ। এই খন অমৰ গ্ৰন্থৰ যোগেদি আপুনিয়েই পোন প্ৰথম অসমীয়া ভাষা সাহিত্যৰ গৱেষণাৰ বাট মুকলি কৰিলে।

আপুনি আমাৰ আদৰণীয়।

সুদীৰ্ঘ চাৰিকুৰি দুবছৰ বয়সতো আপোনাৰ মনোবল অটুট। অনাড়ম্বৰ জীৱন যাত্ৰা আৰু গভীৰ মৌলিক চিন্তাই যেন আপোনাৰ জীৱনৰ আদৰ্শ।

শেষত ভগৱানৰ ওচৰত আমাৰ প্ৰাৰ্থনা যেন মাতৃভাষাৰ সেৱাতে ব্ৰতী হৈ থাকিবলৈ তেওঁ আপোনাক অটুট স্বাস্থ্য আৰু অপাৰ মনোবল দিয়ক। ইতি—

বিনীত,
অসম সাহিত্য সভাৰ হৈ,
শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট
২৪ কাতি ১৮৮৭ শক